NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-10-2023
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্যাপক চাফাই অভিযানত অংশগ্ৰহণ কৰি স্বচ্ছতা হী সেৱা অভিযানত দেশক নেতৃত্ব দিয়ে।

২। প্ৰধানমন্ত্ৰীয়ে আজি ৰাষ্ট্ৰীয় হালধি পৰিষদ গঠনৰ কথা ঘোষণা কৰে।

৩। চলিত বৰ্ষৰ ছেপ্তেম্বৰত সামগ্ৰী আৰু সেৱা কৰৰ বাবদ মুঠ  এক লাখ ৬২ হাজাৰ ৭১২ কোটি টকা ৰাজহ সংগ্ৰহ কৰা হৈছে।

*আৰু*

৪। চীনৰ হাংঝৌত চলি থকা এছিয়ান গেমছত ভাৰতে এতিয়ালৈকে ১৩ টা সোণ, ১৬টা ৰূপ আৰু ১৬টা ব্ৰঞ্জসহ মুঠ ৪৫টা পদকেৰে চতুৰ্থ স্থানত আছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ব্যাপক চাফাই অভিযানত অংশগ্ৰহণ কৰি স্বচ্ছতা হী সেৱা অভিযানত দেশক নেতৃত্ব দিয়ে। শ্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে সুস্থ, সবল জীৱনৰ হকে আগ্ৰহীসকলক প্ৰভাৱিত কৰি অহা ফিটনেছ ইনফ্লুয়েঞ্চাৰ অংকিত বেয়নপুৰিয়াৰ সৈতে চাফাই অভিযানত অংশগ্ৰহণ কৰে আৰু আৱৰ্জনা চাফা কৰে। শ্ৰী মোদীয়ে লগতে অংকিতৰ সৈতে কথোপকথনতো মিলিত হয়। এই কথোপকথনত শ্ৰী মোদীয়ে শাৰীৰিক সুস্থতাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা প'ষ্টযোগে চাফাই অভিযানৰ সময়ত বেয়নপুৰিয়াৰ সৈতে হোৱা মত বিনিময়ৰ এটা ভিডিঅ' শ্বেয়াৰ কৰিছে। পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে 'এক তাৰিখ এঘণ্টা একেলগে' উদ্যমৰ অংশ হিচাপে প্ৰধানমন্ত্ৰীৰ আহ্বান মৰ্মে আজি সমগ্ৰ দেশৰ জনসাধাৰণে ব্যাপক চাফাই অভিযানত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে গান্ধী জয়ন্তীৰ প্ৰাক্‌ক্ষণত জাতিৰ পিতা মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ উদ্দেশ্যে আজি দিনৰ ১০ বজাত এঘণ্টাৰ বাবে চাফাই অভিযানত অংশগ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল। প্ৰধানমন্ত্ৰীয়ে আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ শেহতীয়া খণ্ডতো স্বচ্ছতা হি সেৱা অভিযানৰ গুৰুত্ব আলোকপাত কৰি আজিৰ দিনটো স্বচ্ছতা অভিযানৰ বাবে সময় উলিয়াবলৈ আহ্বান জনাইছিল।

এই অভিযানৰ অধীনত দেশৰ নগৰ আৰু গ্ৰামাঞ্চলত ৬ লাখ ৪০ হাজাৰৰো অধিক ঠাই শ্ৰমদানৰ বাবে বাছনি কৰা হৈছিল। সমাজৰ সকলো শ্ৰেণীৰ লোকে বজাৰ, ৰে'ল লাইন, জলাশয়, পৰ্যটনথলী, উপসনাস্থলীৰ লেখীয়া ৰাজহুৱা স্থানসমূহত চাফাই অভিযানত অংশগ্ৰহণ কৰে। এই অভিযানৰ অংশ হিচাপে ভালেসংখ্যক আবাসী কল্যাণ

পৰিষদে প্ৰায় ১ লাখ আবাসিক এলেকাত স্বেচ্ছাই শ্ৰমদানৰ বাবে ওলাই আহে। ফলত ভাৰতীয় স্থলসেনা, নৌসেনা আৰু বায়ুসেনাৰ জোৱানসকলেও বিভিন্ন স্থানত জনসাধাৰণৰ সৈতে চাফাই অভিযানত অংশ লয়।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি তেলেংগানাৰ ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰীয় হালধি পৰিষদ গঠনৰ কথা ঘোষণা কৰে আৰু লগতে মুলুগৰ চাম্মাক্কা চৰাক্কা কেন্দ্ৰীয় জনজাতীয় বিশ্ববিদ্যালয়ৰ বাবে ৯০০ কোটি টকাৰ ঘোষণা কৰে। ইয়াৰ পূৰ্বে হায়দৰাবাদত উপস্থিত হৈ শ্ৰী মোদীয়ে পথ, ৰে'ল, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ আৰু উচ্চ শিক্ষাৰ খণ্ডত ১৩ হাজাৰ ৫০০ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভিডিঅ' কনফাৰেঞ্চিঙৰ জৰিয়তে কৃষ্ণা ষ্টেচনৰ পৰা হায়দৰাবাদ-ৰাইচুৰ-হাইয়দৰাবাদ ৰে'ল সেৱাৰ শুভাৰম্ভ কৰে। এই ৰে'ল সেৱাই হায়দৰাবাদ, ৰংগাৰেড্ডী, মেহবুবনগৰ, নাৰায়ণপেট জিলাক কৰ্ণাটকৰ ৰাইচূড় জিলাৰ সৈতে সংযোগ কৰিব। ইয়াৰ জৰিয়তে মেহবুব নগৰ আৰু নাৰায়ণপেটৰ পিছপৰা কেইবাটাও অঞ্চললৈ প্ৰথমবাৰৰ বাবে ৰে'ল সংযোগ স্থাপন হ'ব।

প্ৰধানমন্ত্ৰীয়ে নাগপুৰ, বিজয়ৱাৰা অৰ্থনৈতিক কৰিড'ৰৰ অংশ স্বৰূপ মূল পথছোৱাৰো প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পত ৱাৰংগেলৰ পৰা খাম্মাম সংযোগী ১০৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ আৰু খাম্মামৰ পৰা বিজয়ৱাৰা সংযোগী ৯০ কিলোমিটাৰ চাৰিনেল যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ অন্তৰ্ভুক্ত আছে। এই পথ প্ৰকল্পসমূহ মুঠতে ৬ হাজাৰ ৪০০ কোটি টকাৰ ব্যয়ৰে নিৰ্মাণ কৰা হ'ব।

তেওঁ হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ পাঁচটা নতুন ভৱন মুকলি কৰে। ইফালে, শ্ৰী মোদীয়ে মুনিৰাবাদ-মেহবুবনগৰ খণ্ডতো নিৰ্মিত জাকলেৰ-কৃষ্ণা আৰু এইছ পি চি এলৰ হাছান ছাৰলাপাল্লি এল পি জি পাইপ লাইন প্ৰকল্পৰ মাজত ২ হাজাৰ ৬৬১ কোটি টকা ব্যয়ৰে এক নতুন ৰে'লপথ দেশৰ বাবে উৎসৰ্গা কৰে। কাচিগুড়া-ৰাইছুৰ-কাচিগুড়াৰ মাজত ডেম' ৰে'ল সেৱাৰ উদ্বোধন কৰাৰ লগতে প্ৰধানমন্ত্ৰীগৰাকীয়ে সূৰ্য্যপেট-খাম্মামৰ পৰা চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপত উদ্বোধন কৰে। লগতে অন্ধ্ৰপ্ৰদেশৰ কৃষ্ণপট্টনম আৰু হায়দৰাবাদৰ মাজত **মাল্টি প্ৰডাক্ট পাইপলাইন** নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। সেই অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী কিষাণ ৰেড্ডীয়ে কয় যে, কেন্দ্ৰই তেলেংগানাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ বাবে ৯ লাখ কোটি টকা ব্যয় কৰিছে।

এই ভ্ৰমণ সামৰি পৰহিলৈ প্ৰধানমন্ত্ৰী মোদী নিজামাবাদলৈ যাব।

oooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাৰ বিআৰএছ চৰকাৰৰ বিৰুদ্ধে দুৰ্নীতি আৰু কৃষকৰ আঁচনি তথা কাৰ্যসূচীসমূহৰ অপব্যৱহাৰ কৰা বুলি অভিযোগ তুলিছে। পালামুৰু প্ৰজাগৰ্জন শীৰ্ষক জনসভাত ভাষণ দি শ্ৰী মোদীয়ে কয় যে, বিআৰএছ চৰকাৰখনে কৃষকৰ কাৰ্যসূচীসমূহক ব্যক্তিগত লাভালাভৰ বাবে অপব্যৱহাৰ কৰিছে। তেওঁ লগতে জলসিঞ্চনৰ ক্ষেত্ৰত দুৰ্নীতি হোৱাৰো অভিযোগ তোলে। ৰাজ্যখনৰ কৃষকসকলক সহায় কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে, ৰাজ্যখনত পি এম কিষাণ সন্মাননিধিৰ জৰিয়তে ১০ হাজাৰ কোটি টকা ব্যয় কৰা হৈছে। মহিলা সংৰক্ষণ আইনে সমগ্ৰ দেশৰে মহিলাসকলৰ সৱলীকৰণৰত সহায় কৰিব বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ লগতে কেন্দ্ৰৰ এন ডি এ চৰকাৰখনে মুদ্ৰা যোজনা,

প্ৰধানমন্ত্ৰী আৱাস যোজনা, মহিলাসকলৰ বাবে উজ্বলা যোজনাৰ দৰে বিভিন্ন আঁচনি আৰু কাৰ্যসূচী ৰূপায়ণৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বিষয়েও উল্লেখ কৰে।

oooooooooo

চলিত বৰ্ষৰ ছেপ্তেম্বৰত সামগ্ৰী আৰু সেৱা কৰৰ বাবদ মুঠ  এক লাখ ৬২ হাজাৰ ৭১২ কোটি টকা ৰাজহ সংগ্ৰহ কৰা হৈছে। ইয়াৰে ২৯ হাজাৰ ৮১৮ কোটি টকা কেন্দ্ৰীয় সামগ্ৰী আৰু সেৱা কৰ, ৩৭ হাজাৰ ৬৫৭ কোটি টকা ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ, ৮৩ হাজাৰ ৬২৩ কোটি টকা সংযোজিত সামগ্ৰী আৰু সেৱা কৰ আৰু ১১ হাজাৰ ৬১৩ কোটি টকা উপকৰ হিচাপে সংগ্ৰহ কৰা হৈছে। উল্লেখযোগ্য যে চলিত বৰ্ষৰ ছেপ্তেম্বৰত সংগ্ৰহ হোৱা সামগ্ৰী আৰু সেৱা কৰৰ পৰিমাণ যোৱা বছৰৰ এই একেটা মাহতে সংগৃহীত সামগ্ৰী আৰু সেৱা কৰতকৈ ১০ শতাংশ বেছি। উল্লেখযোগ্য যে ২০২৩-২৪ বৰ্ষত চতুৰ্থবাৰৰ কাৰণে সৰ্বমুঠ সামগ্ৰী আৰু সেৱা কৰ সংগ্ৰহৰ পৰিমাণ এক লাখ ৬০ হাজাৰ কোটিতকৈও অধিক হৈছে।

ooooooooo

প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, ২০৪৭ চনত উন্নত দেশ হিচাপে পৰিগণিত হ'বলৈ ভাৰতক আধুনিক সা-সজুলীৰে সমৃদ্ধ এটা শক্তিশালী প্ৰতিৰক্ষা বাহিনীৰ প্ৰয়োজন। তেওঁ কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এই সপোন বাস্তবায়িত কৰাৰ ক্ষেত্ৰত প্ৰতিৰক্ষা হিচাপ বিভাগে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। আজি নতুন দিল্লীত বিভাগটোৰ ২৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে বিভিন্ন ডিজিটীয় পদক্ষেপৰ শুভাৰম্ভ কৰি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। এই অনুষ্ঠানতে শ্ৰী সিঙে বিভাগটোৰ প্ৰকল্প ৰূপায়ণৰ ক্ষেত্ৰত উল্লেখযোগ্য নিদৰ্শন দাঙি ধৰা পাঁচটা গোটক ৰক্ষামন্ত্ৰীৰ উৎকৃষ্টতা বঁটা ২০২৩ প্ৰদান কৰে।

ooooooooo

চীনৰ হাংঝৌত অনুষ্ঠিত ২০২৩ বৰ্ষৰ এছিয়ান গেমছৰ আজি অষ্টম দিনা ভাৰতে এতিয়ালৈকে ১৩ টা সোণ, ১৬টা ৰূপ আৰু ১৬টা ব্ৰঞ্জসহ মুঠ ৪৫টা পদক লাভ কৰি পদক তালিকাত চতুৰ্থ স্থান আছে।

পুৰুষৰ শ্বটপুটত ভাৰতৰ তেজিন্দৰ পাল সিং টোৰে ২০ দশমিক ৬৩ মিটাৰ দলিয়াই স্বৰ্ণপদক লাভ কৰে। ট্ৰেক আৰু ফিল্ড এথলেটিক্সত ভাৰতে প্ৰথমটো সোণৰ পদক লাভ কৰাৰ বিপৰীতে অবিনাশ মুকুন্দ ছেবেলে পুৰুষৰ তিনি হাজাৰ মিটাৰ ষ্টিপলচেজত স্বৰ্ণপদক লাভ কৰি দেশক গৌৰৱান্বিত কৰে।

পুৰুষৰ শ্বুটিঙৰ ব্যক্তিগত ট্ৰেপত ভাৰতৰ শ্বুটাৰ কাইনান দাৰিয়াছ চেনাইয়ে পদক লাভ কৰে। এক ৰোমাঞ্চকৰ খেলত চেনাইয়ে লেবেল হেডত থাকি ৩২ পইণ্টৰে ব্ৰঞ্জৰ পদক লাভ কৰে। ইয়াৰ পূৰ্বে চেনাইয়ে, যুৱাবৰ সিং সান্ধু আৰু পৃথ্বিৰাজ টন্দাইমানৰ সৈতে পুৰুষৰ দলীয় ট্ৰেপত ৩৬১ পইণ্টৰে স্বৰ্ণপদক লাভ কৰে। মহিলাৰ ট্ৰেপ ইভেণ্টত ৰাজেশ্বৰী কুমাৰী, মণিষা কীৰ আৰু প্ৰীতি ৰজকে ভাৰতৰ হৈ ৰূপৰ পদক লাভ কৰে। ইয়াৰ লগে লগে ভাৰতৰ শ্বুটিং অভিযানৰ সামৰণি পৰে। শ্বুটিঙত ভাৰতে  অভিলেখ সংখ্যক ২২টা পদক লাভ কৰে, যিটো এছিয়ান গেমছত ভাৰতীয় শ্বুটাৰৰ সৰ্বাধিক পদক।

মহিলাৰ ব্যক্তিগত গ'ল্ফ ইভেণ্টত অদিতি অশোকে ৰূপৰ পদক লাভ কৰে। তেৰেঁই এছিয়ান গেমছত পদক লাভ কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা গ'ল্ফাৰ। এথলেটিক্সত খিতাপৰ দাবীদাৰ জ্যোতি য়াৰ্জিয়ে মহিলাৰ ২০০ মিটাৰ

ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম নহ'ল। অসমৰ অম্লান বৰগোহাঁয়ে পুৰুষৰ ২০০ মিটাৰত তৃতীয় স্থান অধিকাৰ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। ভাৰতীয় বক্সাৰ পাৰবিন হুদাই উজবেকিস্তানৰ চিটুৰা টুৰডিবেকভা ৫-০ ব্যৱধানত পৰাস্ত কৰি মহিলাৰ ৫৭ কিলোগ্ৰাম শাখাত কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। এই জয়েৰে পাৰবিনক পদক লাভ কৰাৰ আশ্বাস দিয়াৰ বিপৰীতে ভাৰতে **পেৰিছ ২০২৪**ৰ বাবে এই শাখাত অলিম্পিক কোটা নিশ্চিত কৰে। এতিয়া পাৰবিনে বুধবাৰে ছেমিফাইনেল খেলিব।

ভাৰতৰ পুৰুষৰ বেডমিণ্টন দলটোৱে বৰ্তমান ফাইনেলত পূৰ্বৰ চেম্পিয়ন চীনৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। একক শাখাত লক্ষ্য সেনে শ্বি ইউকীক পৰাস্ত কৰি ভাৰতক ১-০ অগ্ৰগতি প্ৰদান কৰে।

০০০০০০০০০

সমাপ্ত